# গ্ৰাম্য জনজাগৰণ

ড° আব্দুল হক আহমেদ



BIKALI COLLEGE LIBRARY
DHUPDHARA
19955
Date

# গ্ৰাম্য জনজীৱন

891.454
AHM

19957

ড° আব্দুল হক আহমেদ

**Gramya Janajiban** : A book written by Dr. Abdul Haque Ahmed, Associate Professor & HoD, Economics, Bikali College, Dhupdhara, Dist. Goalpara (Assam).

প্ৰকাশক ঃ আৰ্‌জুনা বেগম, ধূপধৰা
প্ৰথম প্ৰকাশ ঃ ২০ ডিচেম্বৰ, ২০১৭ চন
গ্ৰন্থস্বত্ব ঃ লেখক

বেটুপাত ঃ হিতেশ ৰয়
মুদ্ৰণ ঃ হ'ৱাইট লিফ্ পাব্লিকেশ্বন, ধূপধৰা
মূল্য ঃ ২০০/- টকা

# অর্পণ

আধুনিক সা-সুবিধা নথকা গাঁও এখনত বসবাস
কৰি চুবুৰীয়া গাঁৱৰে বিদ্যালয় এখনত
শিক্ষকতাৰে জীৱন অতিবাহিত কৰা
মৰহুম নাজিমুদ্দিন মুঞ্চিৰ একমাত্ৰ পুত্ৰ আমাৰ
পিতৃ মৰহুম মৌলবী শামছুদ্দিন আহেমদৰ
পুণ্য স্মৃতিত
'গ্ৰাম্য জনজীৱন'খন
অৰ্পণ কৰিলোঁ।

ড° প্ৰফুল্ল হাজৰিকা
শিৱসাগৰ-৭৮০৬৫২

# এষাৰ আগকথা

মোৰ বাবে আনন্দৰ কথা যে সুদূৰ শিৱসাগৰৰ পৰা আহি বন্ধুবৰ ড° আব্দুল হক আহমেদৰ মূল্যৱান কিতাপৰ পাণ্ডুলিপি "গ্ৰাম্য জনজীৱন"ত চকু ফুৰাব পালোঁ। গোৱালপাৰা জিলাৰ পূব সীমান্তত অৱস্থিত ধূপধৰা আৰু ইয়াৰ বিকালী মহাবিদ্যালয়ত ড° আহমেদে জ্যেষ্ঠ প্ৰবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। সমাজৰ সৰ্বাঙ্গীন মংগল বিচৰা আৰু গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক উত্তৰণৰ চিন্তা-ভাৱনা কৰা ড° আহমেদ এগৰাকী শিক্ষাবিদ।

ভিন্ন ৰুচিসম্পন্ন ৩৬ টা প্ৰবন্ধৰে গোৱালপাৰা জিলা আৰু ইয়াৰ বিভিন্ন গাঁৱৰ আৰ্থ-সামাজিক অৱস্থা, ক্ৰীড়া, সংস্কৃতি আৰু জন-জীৱনৰ ৰেহ-ৰূপ অনবদ্য ৰূপত দাঙি ধৰিবলৈ কিতাপখনৰ যোগে প্ৰচেষ্টা কৰা দেখা গৈছে। পাঠক সমাজে কিতাপখনত সন্নিৱিষ্ট বিভিন্ন তথ্য পোৱাৰ লগতে বিভিন্ন দিশৰ দিক্ নিৰ্ণায়ক ভাবধাৰাও উপভোগ কৰিব পাৰিব।

ড° হক আহমেদলৈ অভিনন্দন জনাই তেখেতৰ কষ্টসাধ্য শ্ৰম সাৰ্থক হোৱাৰ কামনা কৰিলোঁ।

শুভেচ্ছাৰে...

ড° প্ৰফুল্ল হাজৰিকা

# লেখকৰ এষাৰ

ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ লোকে প্ৰায় আঠ লক্ষাধিক গাঁৱত বাস কৰে। এই গ্ৰাম্যবাসীৰ প্ৰায় ৭০ শতাংশ লোকে কৃষি আৰু কৃষি আনুষংগিক বস্তু উৎপাদনেৰে সমগ্ৰ দেশৰ খাদ্য সুৰক্ষা প্ৰদান কৰে। তদুপৰি নানা প্ৰকাৰৰ সৰু-বৰ উদ্যোগ জীয়াই ৰখাৰ লগতে বৈদেশিক মুদ্ৰা উপাৰ্জনত গাঁওবোৰে দেশখনক সহায় কৰে। সেইবাবে ভাৰতৰ গাঁওসমূহৰ সঠিক উন্নয়নৰ বিকল্প নাই আৰু ই এক সামাজিক ন্যায়। ভাৰতৰ গাঁওসমূহৰ উন্নতি হ'লেহে প্ৰকৃতাৰ্থত ভাৰতবৰ্ষৰ উন্নতি সম্ভৱ হ'ব। গ্ৰাম্য অৰ্থ ব্যৱস্থাৰ গুৰুত্ব অনুসৰি ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহত গ্ৰাম্য মন্ত্ৰণালয়ৰ জন্ম দিয়া হৈছে। গ্ৰাম্য জন-জীৱনৰ গুৰুত্ব প্ৰসংগত মহাত্মা গান্ধীৰ বক্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য। "মই কওঁ যে, যদি গাঁও ধ্বংস হয় ভাৰতবৰ্ষও ধ্বংস হ'ব। ভাৰতবৰ্ষখন আৰু ভাৰতবৰ্ষ বুলি পৰিচিত হৈ নাথাকিব। দেশখনৰ নিজস্ব মিছন বিশ্বৰ পৰা বিলুপ্ত হ'ব। গাঁৱৰ শোষণ মষিমূৰ হ'লেহে গাঁওবোৰৰ পুনৰুত্থান হ'ব।" এই ভাষ্যৰ প্ৰাসংগিকতা আজিও প্ৰকট হৈ আছে। গ্ৰাম্য উন্নয়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই ভাৰতৰ মিছাইল মানৱ তথা দ্বাদশ ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামে PURA (Providing of Urban Amenities in Rural Areas) নামেৰে এক অভিলাষী আঁচনি গ্ৰহণ কৰি সৰ্বতোপ্ৰকাৰে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়নৰ বাবে গুৰুত্ব আৰোপ কৰিছিল।

ভাৰতৰ প্ৰতিটো পঞ্চ বাৰ্ষিক পৰিকল্পনাত গ্ৰাম্য উন্নয়নৰ বাবে ধন আবণ্টন কৰাৰ লগতে গাঁওবোৰত সকলো খণ্ডৰ উন্নয়ন আঁচনি গ্ৰহণ কৰা হয়। তৎসত্বেও ভাৰতৰ আৰ্থিক পৰিকল্পনা নগৰকেন্দ্ৰিক পক্ষপাতিত্বৰে ভাৰাক্ৰান্ত বুলি সততে সমালোচনা কৰা দেখা যায়। মুখ্য আৰ্থ-সামাজিক বুনিয়াদ যেনে- সকলো বতৰোপযোগী আলি-পদুলি, বিদ্যুৎ-আন্তঃগাঁথনি, যোগাযোগ

ব্যৱস্থা, পানী যোগান, শিক্ষানুষ্ঠান, স্বাস্থ্য সেৱা কেন্দ্ৰ, কৃষি-পশুধন বিপণন কেন্দ্ৰ আদিৰ পয়োভৰেৰেহে গ্ৰাম্য জনজীৱনৰ উত্তৰণ সম্ভৱ হ'ব। এইবোৰ সুবিধাৰ উপলব্ধই গ্ৰামাঞ্চলত আৰ্থিক উপাৰ্জনৰ পথ সুগম কৰাৰ উপৰিও নব্যচিন্তা-চেতনা, শৈক্ষিক, সাংস্কৃতিক আদিৰ পৰম্পৰাৰো উত্তৰণত সহায়ক হ'ব। এনে উত্তৰণৰ সমান্তৰালকৈ গ্ৰাম্য জন-জীৱনত কিছুমান প্ৰত্যাহ্বানো আহি পৰিছে। সাম্প্ৰতিক দ্ৰুত আৰ্থ-সামাজিক পৰিবৰ্তন, বিশ্বায়নৰ প্ৰভাৱ আদিৰ প্ৰকোপত গাঁওসমূহো গোলকীয় উষ্ণতা, চাইবাৰ অপৰাধ, যুৱ উচ্ছৃংখলতা, ভোগ সৰ্বোচ্চ অপৰাধ, উগ্ৰবাদ, অনৈতিক কাৰ্যকলাপ আদিত নিমজ্জিত হৈ পৰিছে। এনে প্ৰেক্ষাপটত সমসাময়িক গ্ৰাম্য জীৱনৰ বিভিন্ন দিশ পৰ্যালোচনাৰে সময়ে সময়ে স্মৰণিকা, আলোচনী, বাতৰি কাকত আদিত লেখা প্ৰকাশৰ আহ্বানৰ পৰিণতিত কিছু প্ৰবন্ধ যুগুতোৱা হৈছিল। এই লেখাসমূহ বিচাৰি-খোচাৰি এক গোট কৰি "গ্ৰাম্য জনজীৱন" নামেৰে পুথি খনি প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। পুথিখনৰ লেখাসমূহে পঢ়ুৱৈ সমাজক কিঞ্চিৎ পৰিমাণে হ'লেও খোৰাক যোগালে লেখকৰ পৰিশ্ৰম সাৰ্থক হ'ব।

তাৰিখ -২০ ডিচেম্বৰ, ২০১৭ চন

ড° আব্দুল হক আহমেদ

# কৃতজ্ঞতা

বিভিন্ন আলোচনী,স্মৰণিকা, পুস্তিকা আদিত সিঁচৰিত হৈ থকা লেখনিসমূহ থুপ খুৱাই গ্ৰন্থৰূপ দিয়াৰ বাবে সততে অনুপ্ৰেৰণা যোগোৱাৰ লগতে বাক্য গাঁথনি আৰু বৰ্ণবিন্যাস চাই দিয়াৰ বাবে শ্ৰদ্ধাৰ ড° আল্পনা সৰকাৰ বাইদেউলৈ পোনতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। উক্ত লেখনিসমূহ গ্ৰন্থৰূপে প্ৰকাশৰ বাবে অবিৰত ভাবে তাড়না দি হেঁচা প্ৰয়োগ কৰি থকা আৰ্জুনা বেগম (প্ৰধান শিক্ষয়িত্ৰী, ধনুভাঙা মধ্য ইংৰাজী বিদ্যালয়)ৰ লগতে মৰমৰ ভাতৃপ্ৰতীম শ্ৰীথানেশ্বৰ ৰাভালৈ কৃতজ্ঞতা যাচিলোঁ। পাণ্ডুলিপি ৰূপতে চকু ফুৰাই দি প্ৰয়োজনীয় পা-পৰামৰ্শ আগবঢ়োৱা বাবে শ্ৰদ্ধেয় জ্ঞান শংকৰ খাখলাৰীদেৱলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। তদুপৰি 'গ্ৰাম্য জনজীৱন'ক গ্ৰন্থ ৰূপ দিয়াৰ বাবে হ'ৱাইট লিফ্ পাব্লিকেশ্বন, ধূপধৰাৰ স্বত্বাধিকাৰী ছাত্ৰবৰ শ্ৰীহিতেশ ৰায়ৰ লগতে ছপাশালৰ কৰ্মীবৃন্দক আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

# সূচী


- গ্ৰন্থ অধ্যয়ন ঃ সমাজ বিবৰ্ত্তন প্ৰসঙ্গত ১
- নক'বলগীয়া ১০
- টিপ্‌লাই অঞ্চলৰ ঐতিহাসিক প্ৰেক্ষাপটত এভূমুকি ১৪
- ডাইনী হত্যা ঃ এক সামাজিক ব্যাধি ২৩
- শিশু শিক্ষাত ক্ৰীড়াকেন্দ্ৰিক কাৰ্যকলাপ ২৮
- আমাৰ কৃষি পৰম্পৰা ঃ অতীত আৰু বৰ্তমান ৩৪
- প্ৰধান মন্ত্ৰী জন ধন যোজনা ৩৯
- উপলব্ধিৰে কটন কলেজ ছহিদ মোজাম্মিল হক ছাত্ৰৱাস ইত্যাদি... ৪২
- পৰিবৰ্ত্তনৰ প্ৰেক্ষাপটত ৰঙালী বিহু ঃ এক অৱলোকন ৫১
- পৰিবৰ্তনৰ প্ৰেক্ষাপটত গৰুছটকা গাঁও ঃ এটি অৱলোকন ৫৬
- বজাৰ অৰ্থনীতি আৰু গোৱালপাৰা জিলা ৬৭
- বিহঙ্গম দৃষ্টিৰে মাছলাম গাঁও ৭৩
- জন সম্পদৰ ভিন্নমুখিতা আৰু আমাৰ সমাজ ৭৯
- গোৱালপাৰা জিলাৰ আৰ্থিক অৱস্থাৰ এটি অৱলোকন ৮৬
- ব'হাগ বিহু ঃ এটি অৰ্থনৈতিক সমীক্ষা ৯১
- সমাজৰ গতিশীলতা আৰু ক্ৰীড়াৰ বৃত্তিমুখিতা ৯৬
- উদ্যান শস্য আৰু গ্ৰাম্য অৰ্থনীতি ১০০
- সাহিত্যৰ নবেল বঁটা বিজয়ী মো ইয়ান ১০৯
- ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয় ১১৩
- অভিজ্ঞতাৰ স্নেপশ্বট ১২০
- উচ্চ শিক্ষা স্তৰত অৰ্থশাস্ত্ৰ অধ্যয়নৰ প্ৰসংগ ১২৪
- বিকালী অঞ্চলত গ্ৰাম্য পুথিভঁৰাল ১৩০
- খেলুৱৈ মানুহ ১৩৪
- ক্ৰীড়া শৈলী আৰ্চাৰীলৈ এভূমুকি ১৩৬

- আৰ্থ-সামাজিক দিশত টিপ্‌লাই ১৩৯
- এবাৰ গাঁৱলৈ ব'লক ১৪৫
- এটি ফ'বিয়াৰ অৱসান ১৪৮
- পূবে হাঁহ পশ্চিমে বাঁহ ১৫১
- উন্নতিৰ মন্ত্ৰ ১৫৩
- শিশু, নাৰী অধিকাৰ আৰু নবেল বঁটা ১৫৫
- ব'হাগ বিহুৰ অনুভৱ ১৬০
- এক অখ্যাত প্ৰাকৃতিক জলাশয় ১৬৩
- বিহঙ্গম দৃষ্টিত গোৱালপাৰা জিলা ১৬৭
- ঐতিহাসিক দৃষ্টিৰে গৰুছটকা গাঁও ১৭৬
- গ্ৰামাঞ্চলৰ ঘৰখন আৰু শিক্ষা ১৮৩
- বিকালী অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থাৰ ৰেঙণি আৰু বিকালী মৌজা উন্নয়ন সমিতি ১৮৯

# গ্ৰাম্য জনজীৱন

দৃষ্টি নন্দন লানি নিছিগা কানন
তাত এখন গাঁও আছিল
ভঁৰাল চহকী তামোল পান আম কঁঠাল ভৰা
নদন বদন গাঁও শস্য শ্যামলা
সোঁমাজত খাল নিজৰা বোকা পানী
দিগন্ত বিয়পি পথাৰ শুৱনি
ৰূপে ভৰা শইচ সোণোৱালী
আন দিশে সেউজ ধৰণী
কংক্ৰিটৰ ধোঁৱাৰ মাজত
জুকিয়াই চোৱানে এবাৰলৈ
ঋতু চক্ৰৰ ৰং সলনি ?
ট্ৰেক্টৰ টিলাৰ কৃত্ৰিম কোৰ্হাল এতিয়া
পাৰিবানে জুখিব পাহোৱাল ডেকা
তাহানিৰ ৰোৱনী দাৱনীৰ হৃদয় গাথা ?

●●●

# গ্ৰন্থ অধ্যয়ন ঃ সমাজ বিবৰ্ত্তন প্ৰসঙ্গত

দাৰ্শনিক এৰিষ্টটলে দুই হাজাৰোধিক বৰ্ষৰ পূৰ্বে কৈছিল "প্ৰাকৃতিক কাৰণত সকলো মানুহ নজনাক জানিবলৈ হাবিয়াহ কৰে"। সকলো মানুহ বুলি বুজাওতে তেওঁ পুৰুষ, মহিলা, ধনী, দুখীয়া, ডেকা, বুঢ়া সমন্বিতে মানৱ জাতিৰ কথা সূচাইছিল। তেওঁৰ মতে সমাজৰ দহ শতাংশ মানুহে জ্ঞান আহৰণ কৰিব নোখোঁজে, দহ শতাংশ মানুহে সকলো জানো বুলি ভাবে, অধিক সংখ্যক অৰ্থাৎ আশী শতাংশ মানুহে শিক্ষাগ্ৰহণ কৰি বা জ্ঞান আহৰণ কৰি উন্নত হ'ব খোজে, জীৱনৰ পৰা অধিক কিবা পাব খোজে আৰু এই সৌভাগ্যৰে সমাজৰ সৈতে অংশীদাৰী হ'ব খোজে। শৰীৰ মন আৰু আত্মা এই তিনি স্তৰৰ সমষ্টিৰে মানুহৰ স্থিতি বুলি বিশ্বাস কৰা হয়।

মানুহে খাদ্য গ্ৰহণ বন্ধ কৰিলে শাৰীৰিক এনিমিয়া আৰু শিকিবলৈ বা জ্ঞান আহৰণ কৰিবলৈ অনিচ্ছুক হ'লে মানসিক আৰু আত্মিক এনিমিয়া হয় বুলি কোৱা হয়। মানসিক আৰু আত্মিক এনিমিয়া আক্ৰান্ত লোকৰ সৃষ্টিশীল বৌদ্ধিক চেতনা নাথাকে। সেই হেতু মহান দাৰ্শনিক এৰিষ্টটলে কৈছে যে সমাজৰ সকলো মানুহৰ শিক্ষা বা জ্ঞান আহৰণ অপৰিহাৰ্য। মানসিক আৰু আত্মিক চেতনা সক্ৰিয় কৰি ৰাখিবলৈ মানুহৰ বাবে শিক্ষাপ্ৰাপ্তি বা জ্ঞান আহৰণ অতি প্ৰয়োজনীয়। শিক্ষা প্ৰাপ্তি বা জ্ঞান আহৰণৰ প্ৰধান উপকৰণ হ'ল গ্ৰন্থ অধ্যয়ন। অঘৰী চিকাৰী জীৱন জীৱিকাৰ পৰা সাম্প্ৰতিক অতি উন্নত সভ্যতালৈ মানৱ জাতিৰ উত্তৰণত শিক্ষা বা জ্ঞান আহৰণ প্ৰবৃত্তিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে।

মানৱ সভ্যতা অধ্যয়নৰ প্ৰাথমিক আহিলা হ'ল লিখিত বা ছপা কৰা গ্ৰন্থ। মানৱ সংস্কৃতিলৈ অৱদান আগবঢ়োৱা যি কোনো ভাষাত মুদ্ৰিত পুথিকে গ্ৰন্থ বুলি অহিভিত কৰা হয়।প্ৰাচীন তন্ত্ৰ-মন্ত্ৰ, যাদু বিদ্যা, ধৰ্ম, নীতিশাস্ত্ৰৰ পৰা আৰম্ভ কৰি ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস, চিকিৎসা, সামাজিক আৰু প্ৰাকৃতিক বিজ্ঞান আদি বিভিন্ন বিষয়ে গ্ৰন্থ ৰূপ পৰিগ্ৰহ কৰিব পাৰে। বিবেচক আৰু সমাজিক প্ৰাণী মানুহৰ কাম্যৰ পৰা কাম্যতম পৰ্যায়লৈ বুদ্ধিমত্তাৰ বিকাশ, ব্যক্তিত্ব আৰু চৰিত্ৰ উন্নীতকৰণৰ সৰ্বশ্ৰেষ্ঠ আহিলা হ'ল গ্ৰন্থ অধ্যয়ন। গ্ৰন্থ একোখন লিখকৰ মন-বুদ্ধি, হৃদয়, চিন্তন, উদ্দেশ্য, আদৰ্শ, বিশ্বাস আদিৰ মুদ্ৰিত প্ৰকাশ। মুদ্ৰিত পুথি এখনত থকা বিষয়ৰ পঠন, হৃদয়ঙ্গম, অনুধাৱন, অনুশীলন আৰু জ্ঞানৰ প্ৰায়োগিক কৌশল আয়ত্বকৰণ প্ৰক্ৰিয়াক প্ৰকৃতাৰ্থত গ্ৰন্থ অধ্যয়ন বুলি অভিহিত কৰিব পাৰি। গ্ৰন্থ একোখন অধ্যয়ন কৰিলে গ্ৰন্থকাৰে চিত্ৰিত কৰা সমসাময়িক পৰিৱেশ আৰু পৰিস্থিতিৰ আচাৰ-আচৰণ, ঘটনা প্ৰবাহ, শিক্ষা, অভিজ্ঞতা, বুদ্ধিমত্তা, চিন্তন, আদৰ্শ আদি অধ্যয়নকাৰীৰ অন্তৰত প্ৰতিফলিত হয়।

অধ্যয়নপুষ্ট ব্যক্তি সকলে যুগে যুগে সমসাময়িক সমাজত প্ৰভূত বৰঙণি যোগোৱাৰ উপৰিও পুৰুষাণুক্ৰমিক হিত সাধন কৰে। সভ্যতাৰ আদি কালৰ পৰা প্ৰণয়ন হোৱা বিভিন্ন গ্ৰন্থ আৰু এইবোৰৰ অধ্যয়নৰ প্ৰভাৱে ঢাপে-ঢাপে সভ্যতাত হোৱা প্ৰগতি আৰু বিবৰ্ত্তনত সুদুৰ প্ৰসাৰি অৰিহণা যোগাই আহিছে। সভ্যতা সংস্কৃতি বিকাশৰ ক্ষেত্ৰত সমাজত থকা লোকৰ ব্যক্তিগত আৰু আনুষ্ঠানিক গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা, গুৰুত্ব, তাৎপৰ্য্য আৰু ফলপ্ৰসুতাৰ ইতিহাস কেতিয়াও কোনেও জীৱন ব্যাপি সাধনা কৰিলেও লিখি শেষ কৰিব নোৱাৰে। তৎসত্বেও সীমিত সংখ্যক দিশ সামৰি লৈ মানৱ সভ্যতা সংস্কৃতিৰ বিকাশত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা, গুৰুত্ব, তাৎপৰ্য্য, ফলপ্ৰসুতা আদি দিশ ঐতিহাসিক পটভূমিৰে এই নিবন্ধত সংক্ষিপ্ত ভাবে পৰ্য্যালোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

ভাৰতবৰ্ষ উপ মহাদেশখনৰ সমাজ, সভ্যতা, সংস্কৃতি সমন্বিতে ব্যক্তি, পৰিয়াল আৰু সামাজিক জীৱনধাৰাৰ আধাৰসমূহ বিভিন্ন প্ৰাচীন গ্ৰন্থৰাজিত

সংপৃক্ত হৈ আছে। অতি প্ৰাচীন বেদ-বেদান্ত, ৰামায়ণ, মহাভাৰত, পৌৰাণিক আখ্যান-উপাখ্যান আদি গ্ৰন্থই হৈছে ভাৰতীয় সভ্যতাৰ সামগ্ৰিক প্ৰেক্ষাপটৰ ভেটি। অদ্যাপি প্ৰচলিত ভাৰতীয় সমাজ, গৃহস্থী আৰু আধ্যাত্মিক আচাৰ-আচৰণ, নৈতিক আৰু সাংস্কৃতিক ভেটিৰ অন্তৰালত এনেবোৰ মহৎ গ্ৰন্থৰ প্ৰভাৱ বিৰাজমান। গ্ৰন্থ অধ্যয়নৰ প্ৰভাৱ এনেদৰে সভ্যতালৈ প্ৰতিফলিত হোৱালৈ চাই ইয়াৰ মহত্ব আৰু তাৎপৰ্য্য উপলদ্ধি কৰিব পাৰি। এইবোৰ গ্ৰন্থ আৰু এইবোৰত সন্নিবিষ্ট চিন্তাধাৰাক কেন্দ্ৰ কৰি প্ৰণয়ন হোৱা বিভিন্ন কাহিনী আৰু অন্যান্য ৰচনাৰাজিয়ে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ ওপৰত প্ৰত্যক্ষ ভাবে প্ৰভাব পেলায়। এনেবোৰ মহৎ গ্ৰন্থকেন্দ্ৰিক ৰচনাৰাজিয়ে, বিশেষকৈ শিশু, বিদ্যাৰ্থী আৰু সাধাৰণ পঢ়ুৱৈৰ বৌদ্ধিক বিকাশ আৰু নিৰ্ম্মল চৰিত্ৰ গঠনত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে।

খৃষ্টপূৰ্ব অষ্টম-নৱম শতিকাত সমগ্ৰ বিশ্বতে প্ৰভাৱ পেলোৱা, প্ৰাচীন গ্ৰীচ সভ্যতাৰ ৰেহৰূপ দাঙি ধৰা বিখ্যাত কবি হোমাৰৰ ইলিয়াদ, অ'ডিছি আৰু এইবোৰৰ আধাৰত ৰচিত ৰচনাৰাজিয়ে যুগে যুগে পাঠকক জিজ্ঞাসু কৰি তুলিছে। উল্লেখনীয় যে যোৱা তিনি হাজাৰ বছৰৰ ভিতৰত প্ৰায় পঁচিশ নিযুত পাঠকে হোমাৰৰ ইলিয়াদ অধ্যয়ন কৰিছে বুলি প্ৰতিবেদন পোৱা যায়। খৃষ্টপূৰ্ব তৃতীয় আৰু চতুৰ্থ শতিকাৰ দাৰ্শনিক প্লেটোৰ দা ৰিপাব্লিক, দা ল'জ আৰু এৰিষ্টটলৰ দা ইথিকচ্, দা পলিটিকচ্ আদি গ্ৰন্থই সামগ্ৰিক ভাবে আধুনিক ৰাষ্ট্ৰ ব্যৱস্থা সংগঠনৰ দিক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। ধৰ্ম্মগ্ৰন্থ বাইবেলৰ ওল্ড টেষ্টামেণ্টে ২৫০০ খৃষ্টপূৰ্বৰ পৰা ১৫০ খৃষ্টপূৰ্বলৈ তদানীন্তন সময়ৰ ঘটনা প্ৰৱাহ আৰু আধ্যত্মিক ধ্যান-ধাৰণাৰ চিত্ৰ দাঙি ধৰে। এইবোৰ মহৎ গ্ৰন্থত সন্নিবিষ্ট বিষয়, তত্ব, ধ্যান-ধাৰণা, আদৰ্শ, বিশ্বাস আদি বিভিন্ন দেশৰ বিভিন্ন ভাষাত মুদ্ৰিত পুথিসমূহে ক্ৰমে প্ৰাচীন, মধ্যযুগীয়, আধুনিক আৰু অতি আধুনিক সমাজ ব্যৱস্থা গঢ় দিয়াত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে প্ৰভাৱ পেলাই আহিছে।

১৩৫৭ খৃষ্টাব্দত প্ৰকাশিত আৰব ভ্ৰমণকাৰী ইবন্‌বতুতাৰ ভ্ৰমণ টোকাৰ যোগেৰে মধ্যযুগৰ উত্তৰ আফ্ৰিকা, স্পেইন, ছাহাৰা, ভাৰতবৰ্ষ, চীন, মধ্যপ্ৰাচ্য আৰু এচিয়াৰ দেশ সমূহৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ বিৱৰণ পাব

পাৰি। উক্ত মুদ্ৰিত টোকাক তদানীন্তন সময়ৰ ইউৰোপৰ বহিৰ্বিশ্বৰ একমাত্ৰ সামাজিক আৰু আৰ্থিক বিৱৰণৰ দলিল বুলি গণ্য কৰা হয়। এই বিৱৰণ তৃতীয় বিশ্বৰ দেশসমূহৰ ইতিহাস আৰু অৰ্থনৈতিক গৱেষণাৰ অন্যতম মূল্যবান সমল বুলি বিবেচিত হৈছে। তদ্ৰূপ হিউয়েন চাং আৰু ফাহিয়ানৰ প্ৰকাশিত টোকা সমূহো ভাৰতবৰ্ষ আৰু চুবুৰীয়া দক্ষিণ এচীয়া দেশসমূহৰ ইতিহাস গবেষণাৰ সমল বুলি গণ্য কৰা হয়।

চৈধ্যশ খৃষ্টাব্দৰ আৰম্ভণিৰ সময়াংশক মধ্যযুগীয় সভ্যতাৰ সামৰণি বুলি ধৰিলে দেখা যায় যে পৰবৰ্ত্তী আধুনিক সভ্যতাৰ দুৱাৰ দলি মুকলি কৰাত বিভিন্ন দাৰ্শনিক আৰু চিন্তাবিদৰ ৰচনাৰাজিয়ে সমাজ বিবৰ্ত্তনত লেখত লবলগীয়া প্ৰভাৱ পেলায়। আধুনিক সমাজ বিবৰ্ত্তন ক্ষিপ্ৰতৰ কৰি তোলাৰ বাবে প্ৰয়োজনীয় নব্য চিন্তন, বৌদ্ধিক বাতাবৰণ, ধ্যান-ধাৰণা আদিৰ দৰে লাগতিয়াল উপাদানৰ উন্মেষ ঘটোৱাত সমসাময়িক পৰিস্থিতিত প্ৰণয়ন হোৱা গ্ৰন্থৰাজিৰ প্ৰভাৱ উল্লেখযোগ্য। যোল্লশ শতিকাৰ প্ৰাৰম্ভত ইউৰোপীয় সকলৰ সজাগতা, বুদ্ধিমত্তা আদি বিকাশত ধৰ্ম্মীয় আৰু সাংস্কৃতিক সংস্কাৰমুখী ৰচনাৰাজি ক্ৰমে ইৰাছমাছ আৰু মাৰ্টিন লুথাৰৰ নেতৃত্বৰ আধাৰত গঢ়ি উঠিছিল। ইয়াৰ পৰিণতিত তদানীন্তন অলেখ চিন্তাবিদৰ কালজয়ী ৰচনাৰাজিৰ সৃষ্টি হয়। এনেবোৰ সমাজ সংস্কাৰ মূলক ৰচনাৰাজিৰ পোনপটীয়া প্ৰভাৱে সমাজক জোকাৰি গৈছিল আৰু সমসাময়িক সমাজ পৰিবৰ্ত্তনৰ ধাৰা খৰতকীয়া হোৱা পৰিলক্ষিত হৈছিল। এনে সংস্কাৰমুখী ৰচনাৰাজিয়ে স্থবিৰ মধ্যযুগীয় পৰম্পৰাৰ অৱসান ঘটাই পুনৰজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। সেই সন্ধিক্ষণত প্ৰকাশিত বহুতো বিখ্যাত গ্ৰন্থই ইউৰোপীয় পুনৰজাগৰণক অধিক গতিশীল কৰাত প্ৰভাৱ বিস্তাৰ কৰে। এইবোৰৰ প্ৰকাশ আৰু প্ৰণয়নে মানুহৰ বৌদ্ধিক চিন্তাধাৰাৰ নতুন দিগন্তৰ সূচনা কৰে। তাৰ ফল ক্ৰমে কৃষি বিপ্লৱ, শিল্প বিপ্লৱ আৰু বিজ্ঞান সন্মত সমাজ গঠনত প্ৰভাৱ পেলায়। মেকিয়া ভেলিৰ 'দা প্ৰিঞ্চ' (১৫১৩ খৃঃ), থমাচ্ মূৰৰ 'ইউটোপীয়া' (১৫১৬ খৃঃ), বডিনৰ 'চিক্স লিভাৰ দা লা ৰিপাব্লিক' (১৫৬৬ খৃঃ), বেকনৰ 'নিউ আট্লাণ্টিচ্' (১৬২৪ খৃঃ), কেম্পানেলাৰ 'চিটি অৱ দা ছান' (১৬০৭ খৃঃ), হেৰিংটনৰ 'ওচেনা' (১৬৫৬ খৃঃ) আদি বিখ্যাত গ্ৰন্থৰ প্ৰণয়নে

পুনৰ জাগৰণত প্ৰভূত ইন্ধন যোগায়। খৃষ্টপূৰ্বীয় প্ৰাচীন সভ্যতাৰ অপাৰ্থিব সুখ কেন্দ্ৰিক উদাসীন জীৱন-যাপন-ধাৰাৰ ঠাইত পাৰ্থিব সুখ-সম্বলিত ব্যক্তি স্বাধীনতা, সম্পত্তিৰ অধিকাৰ, সাৰ্বভৌমত্ব আৰু দেশপ্ৰেম সৰ্বস্ব আধুনিক ৰাষ্ট্ৰ ব্যৱস্থা প্ৰতিষ্ঠালৈ চক্ৰেটিছ, প্লেটো, এৰিষ্টটলৰ উপৰিও অলেখ চিন্তাবিদ আৰু দাৰ্শনিকে গ্ৰন্থৰ মাধ্যমেৰে যোগোৱা অৰিহণাৰ কথাই আজিকোপতি বৌদ্ধিক মহলত আলোড়ন সৃষ্টি কৰি আছে। সমাজ বিজ্ঞানী আগাষ্টিন, আগাষ্ট কমটে, হবছ্, ল'ক, মাৰ্ক্স, এঞ্জেলচ্, ষ্টুৱাৰ্ট মিল, আদাম স্মিথ, ৰিকাৰ্ডো, মালথাচ আদিৰ কৰ্মৰাজিয়ে এনে সমাজ বিৱৰ্ত্তনত প্ৰভূত বৰঙণি আগবঢ়ায়।

একো একোজন চিন্তাবিদ মণীষীৰ মননশীল কৰ্মৰাজিৰ বাবে অনুপ্ৰেৰণা আৰু ন সৃষ্টিৰ সমল হিচাপে গ্ৰন্থ অধ্যয়নে যথেষ্ট অৰিহণা আগবঢ়ায়। এইবোৰৰ প্ৰতিফলন সমাজ বিৱৰ্তনত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে ঘটা দেখা যায়। সমাজ বিজ্ঞানী উইলিয়াম পেটি, ডুড্‌লে নৰ্থ, জচিয়া চাইল্ড, কেণ্টেলিয়ন, ফাৰ্গুচন আদি চিন্তাবিদৰ গ্ৰন্থসমূহৰ দ্বাৰা প্ৰভাৱিত হৈ ওঠৰশ শতিকাৰ অন্তিম ভাগত আদাম স্মিথৰ দ্বাৰা প্ৰণীত 'ওৱেলথ্ অৱ নেচনচ্' এ গ্ৰন্থকাৰক অৰ্থশাস্ত্ৰৰ পিতৃস্থানত অধিষ্ঠিত কৰিছে। সেইদৰে উনৈছ শতিকাৰ কাৰ্লমাক্সৰ 'দাস কেপিটেল'কে ধৰি মহৎ গ্ৰন্থৰাজিৰ প্ৰণয়নতো পূৰ্বে প্ৰণীত গ্ৰন্থ আৰু গ্ৰন্থ অধ্যয়নৰ ভূমিকা অনস্বীকাৰ্য।

প্ৰাকৃতিক বিজ্ঞানীৰ কৃচ্ছ্ৰ সাধনাৰ ফলত সৃষ্টি হোৱা অতুলনীয় তত্ত্বৰ উদ্ভাৱনে শিলে শিলে ঘঁহনি খুৱাই জুই ধৰি জীৱন নিৰ্বাহ কৰা মানুহক ক্ৰমে চকা আৱিষ্কাৰৰ পৰা সাম্প্ৰতিক কম্পিউটাৰ সভ্যতালৈ উন্নীত কৰিছে। পাইথাগোৰাছ, কপাৰনিকাচ, গেলিলিও, আইনষ্টাইন, এডিচন আদিৰ দৰে অসংখ্য বিজ্ঞানীৰ দ্বাৰা প্ৰণীত গ্ৰন্থৰ ভূমিকা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। পূৰ্ববৰ্ত্তী এনেধৰণৰ কৰ্মৰাজি অকল সমাজৰ দ্ৰুত বিকাশ কৰি তোলাতে সীমিত থকা নাই। এইবোৰ কৰ্মৰাজিৰ অধ্যয়নে বিভিন্ন স্তৰত গৱেষণাৰ যোগে ন ন ক্ষেত্ৰৰ উন্মেষ ঘটাই বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ নতুন দিগন্তৰ সূচনা কৰিছে।

পুৰণি অসমত কাব্যিক চিন্তাধাৰাৰ ভেটি স্থাপন কৰোঁতে মাধৱ কন্দলিয়ে ৰামায়ণ পুথিৰ সৰল অনুদিত ৰূপ উপস্থাপন কৰিছিল। ইয়াৰো পূৰ্বে

প্ৰচলিত কাব্য সাহিত্যৰ আঁত ধৰা ৰুদ্ৰ কন্দলি, হেমসৰস্বতী আদি কবিসকলৰ ৰচনা ৰাজি গ্ৰন্থ আৰু গ্ৰন্থ অধ্যয়নৰ ফল বুলি প্ৰমাণ পোৱা যায়। শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বসুৰী কবি হোৱা হেতু এই সকল আৰু বিশেষকৈ মাধৱ কন্দলিৰ কাব্য ৰচনাৰাজিৰ দ্বাৰা তেৰা অনুপ্ৰাণিত হৈছিল। কিয়নো তেৰাই নিজেই মাধৱ কন্দলিক 'পূৰ্ব কবি অপ্ৰমাদী' আখ্যা দিছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ মহৎ ৰচনাৰাজিৰ বিভিন্ন কাব্য, ভক্তি তত্ব, অনুবাদ সাহিত্য, অংকীয়া নাট, গীত, নাম-প্ৰসঙ্গ আদিৰ যোগেৰে সুশৃংখল অসমীয়া সমাজ গঢ়াৰ ভেটি স্থাপন কৰিছিল। সেইদৰে মাধৱদেৱৰ বিভিন্ন কৰ্মৰাজি বিশেষকৈ, নামঘোষা, বৰগীত, ঝুমুৰা আদি সমসাময়িক আৰু বৰ্ত্তমানো সমাজত প্ৰভাৱ পেলোৱা আৰু পঠনীয় ৰচনা সম্ভাৰ বুলি বিবেচিত হয়। উনৈছ শতিকাৰ মাজ ভাগৰ পৰা বৰ অসমৰ সপোন বাস্তৱায়িত কৰাৰ মানসেৰে অনেক কৃচ্ছ্ৰসাধকে মূল্যবান মুদ্ৰিত গ্ৰন্থ অসমীয়াক উপহাৰ দি গৈছে। সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ, লক্ষীনাথ বেজবৰুৱা, পদ্মনাথ গোঁহাই বৰুৱা, হেমচন্দ্ৰ গোস্বামী, বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, আদিৰ দৰে অধ্যয়ন প্ৰেমী সাধকসকলে গ্ৰন্থ অধ্যয়ন আৰু গ্ৰন্থ প্ৰণয়ন যোগে অসমীয়াক বহুমূলীয়া অবদান আগবঢ়াইছে। অসমৰ সামগ্ৰিক সমাজ সংস্কৃতিৰ বাবে অহোপুৰুষাৰ্থৰে বলিষ্ঠ বৌদ্ধিক মহল সৃষ্টি কৰিবলৈ এই সকল মহান ব্যক্তিৰ প্ৰধান সম্বল আছিল গ্ৰন্থ অধ্যয়ন আৰু গ্ৰন্থ প্ৰণয়ন। অসমীয়া ভাষাৰ আনুষ্ঠানিক বিকাশ আৰু বিস্তাৰৰ বাবে কুৰি শতিকাৰ দ্বিতীয় দশকত অতি অধ্যয়ন পুষ্ট সাধক হেমচন্দ্ৰ গোস্বামী দেৱৰ প্ৰজ্ঞা আৰু কৃচ্ছ্ৰ সাধনাৰ ফল 'অসমীয়া সাহিত্যৰ চানেকী', কলিকতা বিশ্ববিদ্যালয়ত ইয়াৰ জৰিয়তে এম এ পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন অসমীয়া ভাষাৰ ভেটি স্থাপনৰ ঐতিহাসিক ঘটনা। চহা লোকৰ মুখে মুখে প্ৰচলন হৈ অহা ডাকৰ বচনে কালক্ৰমত গ্ৰন্থৰূপ পৰিগ্ৰহ কৰি অসমীয়া গৃহস্থী ব্যৱস্থা গঢ় দিয়াত প্ৰভাৱ পেলোৱা দেখা যায়। "পূবে হাঁহ, পশ্চিমে বাঁহ, উত্তৰে গুৱা, দক্ষিণে ধুৱা" ধৰণৰ বাস্তু শাস্ত্ৰ কেন্দ্ৰিক প্ৰৱচন অসমীয়া গ্ৰাম্য গৃহস্থী ব্যৱস্থাত প্ৰতিফলিত হোৱা দেখা গৈছিল।

ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত গ্ৰন্থ অধ্যয়নৰ ভূমিকাৰ বিষয়ে মহাত্মা

গান্ধীয়ে 'মোৰ সত্য অন্বেষণ'ত উল্লেখ কৰা ৰজা হৰিশচন্দ্ৰ উপাখ্যানৰ উদ্ধৃতি আৰু তেওঁৰ জীৱনত তাৰ প্ৰভাৱ সম্পৰ্কে উল্লেখ গ্ৰন্থ অধ্যয়নৰ মহত্বৰ কথাকে সূচায়। উন্নত টেলিস্কোপ সাজি উলিওৱাত গেলিলিওৰ হলেণ্ডৰ হান্‌ছ পিলাৰ্চিৰ লিখিত টোকাৰ অৰিহণাৰ কথা উল্লেখযোগ্য বুলি বিবেচিত হৈছিল। এইবোৰ দিশ চালি জাৰি চালে দেখা যায় যে গ্ৰন্থ অধ্যয়নে ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনৰ উপৰিও নতুন সৃষ্টিত অৰিহণা যোগায়।

প্ৰজ্ঞা আৰু কৃচ্ছ্ৰ সাধনাৰ ফল স্বৰূপে প্ৰকাশিত একোখন গ্ৰন্থ সভ্যতাৰ প্ৰতি যুগৰ ক্ৰিয়াশীল সংযোগকাৰী উপাদান হিচাপে প্ৰতিষ্ঠিত হৈছে। সমাজ বিৱৰ্ত্তনৰ ধাৰাবাহিকতাত সময়োপযোগী ধ্যান-ধাৰণাৰ অন্তৰ্ভুক্তি, বৰ্জ্জিতকৰণ আৰু উপযুক্ত বৌদ্ধিক বিকাশ গ্ৰন্থ অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল। সেই হেতু সমাজৰ স্বাভাৱিক গ্ৰন্থ প্ৰণয়ন আৰু গ্ৰন্থ অধ্যয়ন অপৰিহাৰ্য বুলি গণ্য কৰা হয়। কিয়নো গ্ৰন্থ অধ্যয়নৰ প্ৰভাৱে যুগে যুগে পুৰুষাণুক্ৰমিক মহা সংযোগকাৰী বাহন হিচাপে ভূমিকা পালন কৰে। গ্ৰন্থ প্ৰণয়ন আৰু গ্ৰন্থ অধ্যয়নৰ মহত্ব, তাৎপৰ্য আৰু প্ৰাসঙ্গিকতা এনেবোৰ কাৰণতে মানৱ সভ্যতাৰ সৈতে নিবিড় ভাৱে সংপৃক্ত হৈ আছে। সেয়ে কব পাৰি যে গ্ৰন্থ অধ্যয়ন কেৱল জ্ঞান আহৰণ আৰু বৌদ্ধিক বিকাশৰ মাধ্যমেই নহয়, ইয়াক সভ্যতা সংস্কৃতিৰ ধাৰক আৰু বাহক বুলি অভিহিত কৰিব পাৰি।

মানৱ সভ্যতাৰ উত্তৰণত গ্ৰন্থৰ ভূমিকা আৰু তাৎপৰ্য বৰ্ণনাতীত। সমাজ বিবৰ্ত্তনৰ স্বাভাৱিক ধাৰাবাহিকতাত শিকাবলগীয়া আৰু শিকিবলগীয়া বিষয়বোৰে গ্ৰন্থ ৰূপ পৰিগ্ৰহ নকৰা হ'লে সাম্প্ৰতিক সুখ স্বাচ্ছল্যৰে ভৰা আধুনিকোত্তৰ কালৰ জয় জয় ময় ময় অৱস্থা অসম্ভৱ হ'লহেঁতেন। বিষয় আৰু সমস্যাৰ ভিন্নতা অনুসৰি প্ৰণীত গ্ৰন্থ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক-বিশেষজ্ঞৰ মাজত সীমিত থাকে যদিও ভাষা সাহিত্য, ইতিহাস সম্বলিত প্ৰবন্ধ, কাহিনী, গল্প, উপন্যাস, আত্মজীৱনী, কবিতা, ৰম্য ৰচনা, ভ্ৰমণ কাহিনী আদি সমাজৰ সকলো স্তৰৰ লোকৰ পঠনীয় হ'ব পাৰে। এইবোৰৰ অধ্যয়নে জ্ঞান আহৰণৰ উপৰিও পাঠকক মানসিক আনন্দ দান কৰে। নিম্ন শিক্ষিত লোকে নিয়মিত ভাৱে গ্ৰন্থ অধ্যয়নৰ দ্বাৰা এক সংস্কৃতিবান ব্যক্তিত্বলৈ উন্নীত হ'ব

পাৰে।

স্বল্প আয়ুসৰ জীৱন কালত জ্ঞান পিপাসু আৰু অনুসন্ধিৎসুৰ দাস মানুহে পোৱা অভিজ্ঞতা, চৰ্চ্চা, অনুশীলন, ঘটনা প্ৰবাহৰ পৰা পোৱা শিক্ষা আদি মুদ্ৰিত ৰূপত ৰাখিব নোৱাৰিলে কালান্তৰত পাহৰণিৰ গৰ্ভত লীন হোৱাটো অতি স্বাভাৱিক। মানুহৰ সৃষ্টিশীল চিন্তা, ভাবধাৰা আদি পাহৰণিৰ আগ্ৰাসনৰ পৰা মুক্ত কৰিবলৈ আৰু উপযোগী চিন্তন যুগমীয়া কৰিবলৈ মুদ্ৰিত গ্ৰন্থ ৰূপ একমাত্ৰ উপায়। এনে নহলে প্ৰচলিত শিক্ষা ব্যৱস্থাত শিকাৰু আৰু শিক্ষকৰ পঠন, শিকন, অনুশীলন, জ্ঞান আয়ত্বকৰণ আৰু এইবোৰৰ প্ৰয়োগ কৌশল তেনেই অসম্ভৱ হৈ পৰিব। সেইবাবে শিকাৰু আৰু শিক্ষকৰ সমষ্টিৰে গঢ়ি উঠা গতিশীল শিক্ষা ব্যৱস্থাত গ্ৰন্থ অধ্যয়নে সৰ্বশ্ৰেষ্ঠ স্থান পোৱা বুলি কোৱা হয়।

শিক্ষা ব্যৱস্থাত নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বাবে গ্ৰন্থসমূহৰ প্ৰণয়ন আৰু প্ৰৱৰ্ত্তনক পূৰ্বচৰ্ত বুলি গণ্য কৰা হয়। বিদ্যালয়, শিক্ষক, শিকাৰু আৰু গ্ৰন্থ হ'ল সামগ্ৰিক শিক্ষা ব্যৱস্থাৰ মূল উপাদান। গ্ৰন্থ অবিহনে এই ব্যৱস্থা সুসংগঠিত হ'ব নোৱাৰে। শিক্ষা ব্যৱস্থাৰ গতিশীলতাত শিক্ষক, শিকাৰু আৰু গ্ৰন্থ ওতঃপ্ৰোত ভাবে সম্পৰ্কিত। গ্ৰন্থ প্ৰণয়ন অবিহনে শিক্ষা ব্যৱস্থা প্ৰচলন অসম্ভৱ। শিক্ষক আৰু শিকাৰু উভয়ৰে কেন্দ্ৰবিন্দু গ্ৰন্থ অধ্যয়ন। এই দুই শ্ৰেণীত গ্ৰন্থকেন্দ্ৰিক কাৰ্যকাৰিতাই শিক্ষা ব্যৱস্থাক গতিশীল কৰি ৰাখে। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আওতাত নথকা সাধাৰণ লোকৰ বাবেও জিজ্ঞাসু আৰু অনুসন্ধিৎসু ক্ষুধা নিবাৰণৰ শ্ৰেষ্ঠ উপাদেয় হ'ল গ্ৰন্থ অধ্যয়ন। অকল সেয়ে নহয়, সুস্থ সমাজৰ বাবে ৰজঃগুণ সম্পন্ন নাগৰিকৰ অনুপাত বৃদ্ধিত গ্ৰন্থ অধ্যয়ন অভ্যাসে সহায় কৰে। ভাল গ্ৰন্থ এখন অধ্যয়নত মনোনিবেশ কৰা মানেই মন বুদ্ধিৰ পৰা ক্ৰমে সহজাত তামসিক গুণৰ বহিৰ্গমন আৰু মানবীয় প্ৰমূল্যৰ আগমন ঘটে। ভাল গ্ৰন্থ অধ্যয়নে বিবেচক প্ৰাণী মানৱ স্থিতিৰ অন্তৰালত থকা শৰীৰ, মন আৰু আত্মাৰ উৎকৰ্ষ সাধনত সহায়ক হিচাপে কাম কৰে।

বিজ্ঞান সম্বন্ধীয় কোনো জটিল তত্ব উদ্ভাৱন একোজন চিন্তাবিদৰ সম্পূৰ্ণ জীৱন কালত সম্ভৱ নহ'ব পাৰে। চিন্তাবিদজনৰ আধৰুৱা বা আসোঁৱাহপূৰ্ণ কৰ্ম গ্ৰন্থ বা লিখিত টোকা আকাৰত থাকিলে পৰৱৰ্ত্তী গৱেষকে তাক পূৰ্ণ কৰাৰ

বাবে নতুন উদ্ভাৱনৰ সমল হিচাপে পোৱাৰ থল থাকে। কোনো নতুন উদ্ভাৱন বা আৱিষ্কাৰৰ বাবে প্ৰয়োজনীয় গৱেষণাৰ ক্ষেত্ৰত পূৰ্বৰ প্ৰসংগ অপৰিহাৰ্য বাবে গাৱেষক সকলৰ গ্ৰন্থ অধ্যয়নৰ বিকল্প নাথাকে। পঞ্চম শতিকাৰ ভাৰত শ্ৰেষ্ঠ গণিতজ্ঞ আৰু জ্যোতিৰ্বিদ আৰ্য্যভট্টৰ 'আৰ্য্যভটিয়াম' এ সংশ্লিষ্ট বিষয়ৰ পৰৱৰ্তী গৱষেক সকলৰ অন্যতম সমল হিচাপে পৰিগণিত হৈছিল। ডঃ বাণীকান্ত কাকতিৰ 'আছামিছ, ইট্চ ফৰমেচন এণ্ড ডেভ'লেপমেণ্ট' গ্ৰন্থখন অসমীয়া আৰু আনুষাঙ্গিক পৰিপূৰক ভাষাসমূহৰ গৱেষণাধৰ্মী কাৰ্যৰ বাবে মৌলিক সমল বুলি গণ্য কৰা হয়। প্ৰভাত বৰাদেৱ এই গ্ৰন্থখনৰ বিষয়ে মন্তব্য আগবঢ়াই ব্যক্ত কৰে যে "এইখন অসমীয়া জাতিৰ আত্ম প্ৰতিষ্ঠাৰ প্ৰতি এক শ্ৰেষ্ঠ অৱদান"।

ওপৰৰ আলোচনাৰ পৰা এইটো অনুধাবন কৰিব পাৰি যে গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব আৰু প্ৰাসংগিকতা যুগে যুগে এক বহুধা বিভক্ত বিষয়। গ্ৰন্থ অধ্যয়ন মানৱ জাতিৰ পুৰুষাণুক্ৰমিক সভ্যতা সংযোগী বাহন, ব্যক্তি আৰু সমাজৰ বৌদ্ধিক বিকাশ, চৰিত্ৰ গঠন, প্ৰগতি আৰু বিৱৰ্ত্তনৰ উৎস। প্ৰগতিশীল সমাজ ব্যৱস্থাত জ্ঞান পিপাসুৰ ক্ষুধা নিবাৰণ, শিকাৰুৰ চৰিত্ৰ গঠন, শিক্ষক গৱেষকৰ জ্ঞান সংবৰ্দ্ধন, ভ্ৰমণকাৰীৰ সংগী, উপযুক্ত ভাবে সময় অতিবাহিত কৰাৰ মাধ্যম আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ জীৱনদায়িনী উপাদান হিচাপে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু প্ৰাসঙ্গিকতা মৃত্যুঞ্জয়ী আৰু কালজয়ী বুলি অভিহিত কৰিব পাৰি।

** সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ 'ৰূপালী'ত প্ৰকাশিত।*

●●●